# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-03-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN
::::::::::::::::::::::::::::::::::::::::::::::::::

মাহমৰাৰ সমষ্টিৰ বিধায়ক তথা মন্ত্ৰী যোগেন মহন, দুলীয়াজান সমষ্টিৰ বিধায়ক তেৰছ্ গোৱালা আৰু ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়ো বিনা প্ৰতিদ্বন্দ্বিতাৰে ৰাজ্যসভালৈ নিৰ্বাচিত হৈছে। আজি তিনিওগৰাকী প্ৰাৰ্থীয়ে নিৰ্বাচনী বিষয়াৰ পৰা জয়ী হোৱাৰ প্ৰমাণ-পত্ৰ সংগ্ৰহ কৰে। উল্লেখযোগ্য যে, অহা ১৬ মাৰ্চত ৰাজ্যসভাৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু নিৰ্বাচনৰ বাবে বিৰোধী দলে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত তিনিওগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ বাট প্ৰশস্ত হৈ পৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে বিনা প্ৰতিদ্বন্দ্বিতাৰে তিনিওগৰাকী ব্যক্তি ৰাজ্যসভালৈ নিৰ্বাচিত হয়।

০০০০০০

আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত বিভিন্ন ৰাজনৈতিক দলে ভোটদাতাৰ মন জয় কৰাৰ বাবে চেষ্টা চলাইছে। নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱা নাই যদিও দলসমূহে জনসধাৰণৰ মাজলৈ গৈ প্ৰচাৰ অব্যাহত ৰাখিছে। বিজেপিৰ জন আশীৰ্বাদ যাত্ৰা কাৰ্যসূচীৰ অংশ হিচাপে আজি মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই বজালী জিলাৰ পৰা নলবাৰীলৈ সামৰি লৈছে। বজালীৰ বামাখাটা সত্ৰৰ পৰা নলবাৰীলৈ যাত্ৰা কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে জনসাধাৰণৰ সঁহাৰিৰ বাবে ধন্যবাদ জ্ঞাপন কৰে।

ইপিনে, কংগ্ৰেছ্ দলেও ৰাইজৰ মন জয় কৰাৰ বাবে সময় পৰিৱৰ্তন যাত্ৰা শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰিছে। অসম গণ পৰিষদ দলৰ হৈ আজি অসম যুৱ পৰিষদে চাবুৱাত সমন্বয় সংকল্প যাত্ৰা উলিয়াই জনসাধাৰণক আকৰ্ষণৰ চেষ্টা কৰে।

নিৰ্বাচনৰ সময় চমু চাপি অহাৰ লগে লগে বিভিন্ন ৰাজনৈতিক দলত নেতা-কৰ্মীৰ পদত্যাগ, যোগদান আদি অব্যাহত আছে। অগপৰ সদ্য পদত্যাগী নেতা জয়ন্ত খাউণ্ডে আজি নতুন দিল্লীত কংগ্ৰেছ্ দলত যোগদান কৰে। যোগদানৰ সময়ত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু অসম বিধানসভাৰ বিৰোধী দলপতি দেবব্ৰত শইকীয়া উপস্থিত থাকে।

ইফালে, এ আই ইউ ডি এফৰ বিধায়ক কৰিমউদ্দিন বৰভূঞাই আজি সন্ধিয়া অসম গণ পৰিষদত যোগদান কৰে। অগপৰ সভাপতি অতুল বৰাৰ উপস্থিতিত বিধায়কগৰাকীয়ে যোগদান কৰে।

০০০০০০

নুনমাটিৰ পৰা গুৱাহাটী ক্লাব সংযোগী মহাৰাজ পৃথু উৰন সেতুখন কাইলৈ মুকলি কৰা হ'ব। পাঁচ দশমিক পাঁচ কিলোমিটাৰ দৈৰ্ঘ্যৰ সেতুখন ৮৫০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হৈছে। ২০২৪ চনৰ পহিলা জানুৱাৰীত সেতুখনৰ আধাৰশিলা স্থাপন কৰা হৈছিল। এই উৰণ সেতুখন নিৰ্মাণৰ ফলত যানজঁট হ্ৰাস

পোৰাৰ লগতে জনসাধাৰণৰ যাতায়াতৰ ক্ষেত্ৰত সকাহ হ'ব বুলি আশা কৰা হৈছে। এই উৰণ সেঁতুখন মুকলি সন্দৰ্ভত এয়া কামৰূপ মহানগৰ জিলাৰ সংবাদদাতা হেমন্ত বৰা -

*-বাইট (হেমন্ত বৰা)-*

উল্লেখযোগ্য যে, মাছখোৱাৰ পৰা উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতুখনেৰে কালিৰে পৰা লঘূ যান বাহনৰ চলাচল কৰা হৈছে।

০০০০০০

ৰাজ্যৰ ৪০ লাখ হিতাধিকাৰীক অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ অধীনত কাইলৈ ৯ হাজাৰ টকাকৈ প্ৰদান কৰা হ'ব। সমাজ কল্যাণৰ দিশত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে ৰাজ্য চৰকাৰে মুঠ ৩ হাজাৰ ৬০০ কোটি টকা অৰুণোদয় হিতাধিকাৰীৰ বাবে ব্যয় কৰিব। এই উপলক্ষে তিনি হাজাৰ ৮০০ৰো অধিক স্থানৰ গাঁও পৰিষদ উন্নয়ন সমিতি, স্বায়ত্ত শাসিত পৰিষদ সমষ্টি, গাঁও পঞ্চায়ত, গাঁও উন্নয়ন সমিতি আৰু নগৰীয়া ৱাৰ্ডত আয়োজিত অনুষ্ঠানত হিতাধিকাৰীসকলক ধনৰাশি প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ফে'চবুক যোগে এইকথা প্ৰকাশ কৰে।

০০০০০০০

**সমাপ্ত**